**4 SEM TDC ASM MIL (A) 1**

**2 0 1 3**

( May )

ASSAMESE

( Modern Indian Language )

**( Arts )**

Course : 401

**( অসমীয়া সাহিত্যৰ চানেকি )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ (যি কোনো আঠটা) : ১×৮=৮

(ক) অৰ্থ লিখাঁ (যি কোনো দুটা) : ½+½=১

(১) বৈৰী

(২) কপি

(৩) ফণধৰ

(খ) মাধৱদেৱৰ নাটসমূহক কি নামেৰে জনা যায়?

(গ) 'ভক্তি ৰত্নাৱলী' কাৰ ৰচনা?

(ঘ) 'মেকং নৈ দেখিলো' কোন শ্ৰেণীৰ সাহিত্য?

(ঙ) ভোলাই শৰ্মা কাৰ ছদ্মনাম?

(চ) 'নীলা খামৰ চিঠি'ৰ লেখক কোন?

(ছ) ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস কোন তাৰিখে?

(জ) NCSTC-ৰ সম্পূৰ্ণ নাম লিখাঁ।

(ঝ) 'স্পৰ্শৰেখা' গল্পটোৰ লেখক কোন?

(ঞ) প্ৰথম অসমীয়া উপন্যাসখনৰ নাম লিখাঁ।

২। ব্যাখ্যা কৰাঁ (যি কোনো এছোৱা) : ৫

(ক) বৰষা অনন্ত কাল জ্ঞানৰ পোহৰ
জ্যোতিৰ্ময়ী জোনাকী সবিতা
বজোৱা অনন্ত কাল পঞ্চমত তুলি
বীণাপাণি কোমল কবিতা

(খ) ইয়ে মাতৃ চৰণ পূজাৰ বেদীত ৰক্ত দান
ইয়ে ভাই ভাই সৱে চকু পচাৰতে,
এক হৈ যোৱা প্ৰাণ

(গ) সময়ৰ বলুকাৰাশিত পদচিহ্ন ৰখা
উন্মাদ বাসনা আমাৰ নাই। আমি
বুৰঞ্জীৰ শিলাখণ্ডৰ জীৱন্ত ফছিল্।

৩। (ক) 'পুৰা' কবিতাটোৰ ভাৱবস্তু নিজৰ ভাষাৰে লিখি কবিতাটোত প্ৰবাহিত ৰোমান্টিক বৈশিষ্ট্যৰ বিষয়ে এটি টোকা লিখাঁ। ৬+৬=১২





*অথবা*

(খ) 'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাটোত কবিয়ে পোহৰ আৰু এন্ধাৰৰ যোগেদি কি অৰ্থ প্ৰকাশ কৰিব খুজিছে? কবিয়ে কিয় পোহৰতকৈ এন্ধাৰ ভাল বুলিছে, বিচাৰ কৰাঁ। ৫+৭=১২

৪। (ক) ঝুমুৰাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি 'চোৰধৰা' ঝুমুৰাত প্ৰকাশ পোৱা শিশু কৃষ্ণ চৰিত্ৰটোৰ বিশ্লেষণ দাঙি ধৰাঁ। ৫+৬=১১

*অথবা*

(খ) 'চোৰধৰা' নাটকখনৰ কাহিনীভাগৰ বিৱৰণ দি যশোদাৰ জৰিয়তে মাধৱদেৱে কিদৰে চিৰন্তন মাতৃ হৃদয়ৰ চিত্ৰ অংকন কৰিছে, আলোচনা কৰাঁ। ৫+৬=১১

৫। (ক) সত্যনাথ বৰাই 'জীৱনৰ অমিয়া' প্ৰবন্ধটোৰ জৰিয়তে মানুহৰ প্ৰকৃতি কিদৰে চিত্ৰিত কৰিছে, আলোচনা কৰাঁ। ১০

*অথবা*

(খ) লীলা গগৈৰ 'নৈ বৈ যায়'ত বিহুৰ চিত্ৰ কিদৰে অংকিত হৈছে, আলোচনা কৰাঁ।

৬। (ক) 'আত্মবিনোদক থিয়েটাৰ দল' পাঠটিত বৰ্ণিত মহিলাৰ ভাও পুৰুষে ল'বলগীয় হওঁতে কেনে বিলাই-বিপত্তিৰ সম্মুখীন হ'বলগীয়া হৈছিল, আলোচনা কৰাঁ। ৭

*অথবা*

(খ) বৈজ্ঞানিক মানসিকতা গঠনৰ প্ৰয়োজনীয়তা সম্পৰ্কে ক'বলৈ গৈ লেখকে সমাজত প্ৰচলিত অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ ছবিখন কেনেদৰে দাঙি ধৰিছে, আলোচনা কৰাঁ।



Scanned by CamScanner

৭। চুটিগল্পৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি তোমাৰ পাঠ্য যি কোনো এটা চুটিগল্পৰ কাহিনীটো নিজৰ কথাৰে চমুকৈ লিখাঁ। ৬+৮=১

৮। (ক) 'সাঁচিপাতৰ পুথি' কোন শ্ৰেণীৰ উপন্যাস? এই শ্ৰেণীৰ উপন্যাসৰ বৈশিষ্ট্য উল্লেখ কৰি 'সাঁচিপাতৰ পুথি' উপন্যাসৰ বিষয়বস্তুৰ এটি চমু আভাস দাঙি ধৰাঁ। ১+৩+৮=১

অথবা

(খ) " 'সাঁচিপাতৰ পুথি'ত প্ৰকৃতপক্ষে এটা নিটোল কাহিনী নাই যদিও অসম বুৰঞ্জীৰ এছোৱা গুৰুত্বপূৰ্ণ সময়ৰ ঘটনাৱলী বিবৃত হৈছে।" আলোচনা কৰাঁ। ১

৯। চমু টোকা লিখাঁ (যি কোনো এটা) :

(ক) বৰগীত

(খ) ইমৰাণ শ্বাহ

(গ) নাথান ব্ৰাউন

★★★